জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮১৩/২০২০

# বৃহত্তৰ ডিব্ৰুগড় সৰ্বাংগীন পৰিকল্পনা সন্দৰ্ভত আয়োজিত আলোচনাত অংশ ল'লে মুখ্যমন্ত্ৰী সোণোৱালে

## ডিব্ৰুগড় চহৰক আটকধুনীয়া ৰূপত গঢ়ি তুলিবলৈ উমৈহতীয়া প্ৰচেষ্টাৰে পদক্ষেপ লোৱাৰ পোষকতা মুখ্যমন্ত্ৰী সোণোৱালৰ

**দিছপুৰ, ২ ডিচেম্বৰ ঃ** ১৮০ বছৰীয়া ঐতিহ্য বিজড়িত ডিব্ৰুগড় চহৰৰ স্বাভিমান আৰু সৌন্দৰ্য বৃদ্ধিৰে এখন সৰ্বাংগসুন্দৰ চহৰ হিচাপে গঢ়ি তুলিবলৈ ডিব্ৰুগড়বাসীক আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আহ্বান জনায়। বৃহত্তৰ ডিব্ৰুগড় সৰ্বাংগীন পৰিকল্পনা সন্দৰ্ভত বিশদ আলোচনাৰ বাবে আয়োজন কৰা ৰাজহুৱা সভাত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে এই আহ্বান জনোৱাৰ লগতে ডিব্ৰুগড়ক পৰিৱেশ অনুকূল চহৰ হিচাপে গঢ়ি তুলি পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ বিন্দুত পৰিণত কৰিব লাগিব বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়।

উল্লেখ্য যে ২০৪৫ চনক পৰিকল্পনা বৰ্ষ হিচাপে লৈ ইতিমধ্যে জি আই এছ সম্বলিত ডিব্ৰুগড় সৰ্বাংগীন পৰিকল্পনা প্ৰস্তুতিৰ কাম চলি আছে আৰু এই পৰিকল্পনাক অধিক গতিশীল কৰাৰ লক্ষ্যৰে আজি ডিব্ৰুগড় জিলাৰ মানকটা কছাৰীবাৰীস্থিত আউনিআটি শাখা সত্ৰৰ প্ৰেক্ষাগৃহত এই সভাৰ আয়োজন কৰা হৈছিল। বৰ্তমানৰ ৭১.৮৩ বৰ্গ কিঃমিঃৰ পৰা ৩৯১ বৰ্গ কিঃমিঃলৈ ডিব্ৰুগড় নগৰৰ সম্প্ৰসাৰণৰ লক্ষ্যৰে অমৰুত আঁচনিৰ অধীনত এই পৰিকল্পনাৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। পৰিকল্পনাখনত ডিব্ৰুগড় নগৰখনক উত্তৰে ব্ৰহ্মপুত্ৰ, দক্ষিণে বুঢ়ীদিহিং, পূবে লাহোৱাল, দিকং আৰু পশ্চিমে মধুপুৰ গাঁৱৰে সামৰি লোৱাৰ প্ৰস্তাৱ কৰা হৈছে। মুঠ ১৭ টা বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰি প্ৰস্তুত কৰা পৰিকল্পনাখনত বিভিন্ন আন্তঃগাঁথনি নিৰ্মাণৰ লগতে ঔদ্যোগিক কৰিড'ৰ, লজিষ্টিক টাৰ্মিনেল, আন্তঃৰাজ্যিক বাছ টাৰ্মিনাছ, বিল-জলাশয় আদিৰ সংৰক্ষণ, হোটেল আৰু সেৱা খণ্ডৰ বিকাশ, চায়েন্স চিটি, উপগ্ৰহীয় নগৰ, আদৰ্শ গাঁও, চাহ আৰু গলফ্ পৰ্যটনকে ধৰি একাধিক বিষয়ত প্ৰাধান্য দিয়া হৈছে।

একোখন অত্যাধুনিক নগৰ গঢ় লৈ উঠাৰ ক্ষেত্ৰত জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণৰ কথা আলোকপাত কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে সময়ৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ডিব্ৰুগড় চহৰৰ পৰিসৰৰ সম্প্ৰসাৰণ ঘটাব লাগিব। ইতিমধ্যে বিশ্বৰ বিভিন্ন প্ৰান্তত জনসাধাৰণৰ দিহা-পৰামৰ্শৰ ভিত্তিত বহুতো আটকধুনীয়া চহৰ গঢ় লৈ উঠিছে। এই ক্ষেত্ৰত ডিব্ৰুগড়বাসীয়েও ইতিবাচক ভূমিকা ল'ব লাগিব। ভৌগোলিক দিশৰ পৰা ডিব্ৰুগড় চহৰৰ বহু সুবিধা আছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ব্ৰহ্মপুত্ৰ-বুঢ়ীদিহিংকে ধৰি জকাই সংৰক্ষিত বনাঞ্চলৰ দৰে বিভিন্ন সম্পদৰাজিৰে এই অঞ্চল সমৃদ্ধ। এই সম্পদৰ উপযুক্ত প্ৰয়োগেৰে আন্তঃগাঁথনিমূলক প্ৰকল্পৰ উপৰি অন্যান্য দিশত পদক্ষেপ গ্ৰহণ কৰি ডিব্ৰুগড়ক পৰিৱেশ অনুকূল

এখন চহৰ তথা পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দুৰূপে গঢ়ি তুলিব লাগিব যাতে ডিব্ৰুগড় ভ্ৰমণ কৰি পৰ্যটকসকলে সুকীয়া অনুভূতি লাভ কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে ডিব্ৰুগড়বাসীক প্ৰস্তাৱিত পৰিকল্পনাখনৰ বাবে তেওঁলোকৰ পৰামৰ্শসমূহ লিখিত তথা ই-মেইলযোগে দাখিল কৰিবৰ বাবে আহ্বান জনায় আৰু পৰিকল্পনাখনত যাতে বিভিন্ন উদ্ভাৱনীমূলক পদক্ষেপৰ সমাহাৰ ঘটে সেই দিশত চকু দিবলৈও কয়।

নেক্টৰ ইঞ্জিনিয়াৰ্ছ এণ্ড প্ৰজেক্ট কনছালটেণ্টে প্ৰস্তুত কৰি থকা প্ৰস্তাৱিত পৰিকল্পনাখনৰ সম্পৰ্কে সভাৰ আৰম্ভণিতে ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকাই বিশদ ব্যাখ্যা আগবঢ়ায়।

যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, লাহোৱালৰ বিধায়ক ঋতুপৰ্ণ বৰুৱা, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডিপুৰঞ্জন মাত্ৰাৱী, উপায়ুক্ত পল্লৱ গোপাল ঝা, অসম গেছ কোম্পানী লিমিটেডৰ উপাধ্যক্ষ ইন্দ্ৰ গগৈ, অসম ৰাজ্যিক মহিলা আয়োগৰ উপাধ্যক্ষা ড° হেমপ্ৰভা বৰঠাকুৰ, নগৰ আৰু গাঁও পৰিকল্পনা বিভাগৰ উপ সঞ্চালক বিশ্বজিৎ ভূএগ্রা প্ৰমুখ্যে ডিব্ৰুগড় নগৰৰ বহু গণ্য-মান্য ব্যক্তি সভাত উপস্থিত থাকে।

**বীঃগঃ**

**২/১২/২০২০**